# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২৩১/২০২০

**সংবাদ মাধ্যমৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিকসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়**

## সাংবাদিকসকল হৈছে সমাজৰ বিবেকস্বৰূপ ঃ মুখ্যমন্ত্ৰী

- **কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত যুঁজ দিয়া সৈনিকসকলক মনোবল বৃদ্ধিৰ বাবে কাম কৰাটো মানৱীয় দায়িত্ব ঃ মুখ্যমন্ত্ৰী**
- **ৰাজ্য চৰকাৰে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে গ্ৰহণ কৰা শক্তিশালী ভূমিকাৰ শলাগ ল'লে সম্পাদকসকলে**

**দিছপুৰ, ২ মে'ঃ** 'সাংবাদিকসকল হৈছে সমাজৰ বিবেকস্বৰূপ। বিবেকত বিবেচনা থাকে আৰু সেই বিবেচনাৰে সাংবাদিকসকলে ভৱিষ্যতে সমাজখনক দিক্ নিৰ্দেশনা দি আগুৱাই নিব লাগিব।' ক'ভিড-১৯ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি তথা ভৱিষ্যৎ কৰ্মপন্থা সম্পৰ্কে সংবাদ মাধ্যমৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰাৰ উদ্দেশ্যৰে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিকৰ সৈতে অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমান বিশ্বৰ মানৱ সমাজে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে ঐক্যবদ্ধভাৱে যুঁজ দিছে। এই ক্ষেত্ৰত সংবাদ মাধ্যমসমূহে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। মানুহক সজাগ-সচেতন আৰু সতৰ্ক কৰি কেৱল জনজাগৰণৰ সূচনা কৰাই নহয়, সংবাদ মাধ্যমে মানৱীয় অনুভূতি শক্তিশালী ৰূপত তুলি ধৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ জনসাধাৰণক কৰ'না সংক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ লক্‌ডাউনৰ কাৰ্যসূচী ঘোষণা কৰিছে। সামাজিক দূৰত্ব আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি জীৱন পৰিচালনা কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে দিয়া পৰামৰ্শ দেশৰ ১৩০ কোটি জনগণে মানি চলি লক্‌ডাউন সফল কৰিছে। অসমতো সকলোৰে সহযোগিতাত ৰাজ্য চৰকাৰে এই লক্‌ডাউন সফল কৰাৰ বাবে প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই জটিল সময়ত জৰুৰীকালীন সেৱাৰ লগতে অত্যাৱশ্যকীয় সেৱাসমূহ নিৰৱচ্ছিন্নভাৱে আগবঢ়াই থকা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য বিভাগ, আৰক্ষী, পৰিবহন, জনস্বাস্থ্য, শক্তিকে ধৰি সকলো বিভাগে 'টীম অসম'ৰ মানসিকতাৰে কাম কৰি জনসাধাৰণক সেৱা আগবঢ়াই গৈছে।

মুখ্যমন্ত্ৰীয়ে কৰ'না ভাইৰাছে সৃষ্টি কৰা জটিল সন্ধিক্ষণত জনসাধাৰণক সজাগ-সচেতন কৰাৰ বাবে সংবাদ মাধ্যমে লোৱা পদক্ষেপৰ শলাগ লয়। জনতা কাৰ্ফিউৰ লগতে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লক্‌ডাউনৰ কাৰ্যসূচী ৰাজ্যখনত সফল ৰূপদানৰ ক্ষেত্ৰত সংবাদ মাধ্যমে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি অহা ৪ মে'ৰ পৰা দুসপ্তাহলৈ লক্‌ডাউনৰ কাৰ্যসূচী বৃদ্ধিৰ সময়ছোৱাত সামাজিক দূৰত্ব বজাই

ৰখাৰ ক্ষেত্ৰত সকলোৰে নিষ্ঠাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। কভিড-১৯ ৰোগৰ বৰ্তমানে কোনো ঔষধ আৱিস্কাৰ হোৱা নাই বাবে সামাজিক দূৰত্ব বজাই ৰাখি জীৱন আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। একবিংশ শতিকাত সাম্প্ৰতিক পৰিস্থিতিৰ দৰে জটিল প্ৰত্যাহ্বানৰ কোনেও সন্মুখীন হোৱা নাছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যৌথ সহযোগিতাৰে বৰ্তমানৰ পৰিস্থিতি মোকাবিলা কৰাৰ বাবে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'ণা ভাইৰাছৰ সংকটে মানুহক নতুন চিন্তা-চৰ্চাৰে আগুৱাই যোৱাৰ বাবে পথ মুকলি কৰিছে। অসমত স্বাস্থ্য বিভাগে কম সময়ৰ ভিতৰতে আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ লগতে ক'ভিড-১৯ ৰ ক্ষেত্ৰত স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে বিভাগৰ চিকিৎসক, নাৰ্ছকে ধৰি সকলো কৰ্মচাৰীয়ে নিষ্ঠাৰে কাম কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি, খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য, শক্তি ইত্যাদি বিভাগে দিনে-নিশাই কাম কৰি আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে এই জটিল পৰিস্থিতিত আমি মানুহৰ মনোবল আৰু আত্মবিশ্বাস জগাই তুলিব লাগিব। এই ক্ষেত্ৰত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'ণা ভাইৰাছ প্ৰতিৰোধী যুঁজখনত অৱতীৰ্ণ হোৱা প্ৰতিগৰাকী ব্যক্তিয়ে একোজন সৈনিক। সৈনিকৰ মনোবল ভঙা উচিত নহয়। সৈনিকসকলক উৎসাহ-উদ্দীপনা যোগোওৱাটো সামাজিক দায়িত্ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় সংবাদ মাধ্যমে কৰ'ণা ভাইৰাছ সংক্ৰান্তীয় বাতৰি পৰিৱেশন কৰোতে যথাসম্ভৱ সতৰ্কতা অৱলম্বন কৰা উচিত। যি কোনো তথ্যৰ সত্যতা নিৰূপন নকৰাকৈ বাতৰি পৰিৱেশন কৰিলে কৰ'ণা প্ৰতিৰোধী যুঁজৰ সৈনিক সকলৰ মনোবল হ্ৰাস পোৱাৰ উপৰি সমাজত আতংকৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে বুলি মুখ্যমন্ত্ৰীয়ে কয়। শেহতীয়াকৈ তথ্যপাতিৰ পৰ্যাপ্ত পৰীক্ষা-নিৰীক্ষা নকৰাকৈ মুখ্যমন্ত্ৰীৰ নিৰাপত্তাত নিয়োজিত এগৰাকী এনএছজি জোৱান সংক্ৰান্তত প্ৰকাশ কৰা বাতৰিৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে এই ক্ষেত্ৰত উল্লেখ কৰে।

কৰ'ণা ভাইৰাছ প্ৰতিৰোধী যুঁজখনত সমগ্ৰ প্ৰশাসন ব্যৱস্থাটোক সক্ষম কৰি তুলিবৰ বাবে ৰাজ্যৰ সকলোবোৰ জিলা ভ্ৰমণ কৰাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে জিলাসমূহৰ প্ৰস্তুতি অধিক নিখুঁত কৰাত সহায় কৰিছে। ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দি যোৱাৰ উপৰি সমান্তৰালভাৱে ৰাজ্যত অৰ্থনৈতিক কাৰ্যকলাপো চলাই যাব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় লক্ডাউনৰ সময়ছোৱাত ৰাজ্যখনত ডেৰ লাখ আত্ম-সহায়ক গোটে কেইবা লক্ষ মাস্ক প্ৰস্তুত কৰি উলিয়াইছে আৰু এয়া এক ইতিবাচক দিশ। মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে কৃষি আৰু চাহ খণ্ডত কাম-কাজ আৰম্ভ হৈছে আৰু ইয়াৰ ফলত অৰ্থনীতিয়ে নতুন গতি লাভ কৰিব। আনহাতে চাহ বাগিচাৰ শ্ৰমিক সকলকসজাগ কৰাৰ দিশত যথোচিত পদক্ষেপ লোৱাৰ বাবে অনুপ্ৰাণিত কৰিবলৈ চাহ বাগিচাৰ লাইন চৰ্দাৰৰ সৈতে তেওঁ ব্যক্তিগতভাৱে কথা-বতৰা পাতিছে বুলি কয়।

ৰাজ্যৰ অৰ্থনীতি সবল কৰাৰ ক্ষেত্ৰত কৃষি খণ্ডৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি বিভাগক ইতিমধ্যে এই ক্ষেত্ৰত প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰা হৈছে। তদুপৰি কৃষকৰ উৎপাদিত

সামগ্ৰীৰ সৈতে বজাৰ ব্যৱস্থাটোৰ সংযোগ স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি পাইকাৰী ব্যৱসায়ী সংস্থাৰ সৈতে তেওঁও বৈঠকত মিলিত হৈছে বুলি কয়। অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি জনসাধাৰণৰ অহা-যোৱাৰ বাবে ৰাজ্যৰ পৰিৱহন বিভাগে ৪৯,৪৬২ হাজাৰ গাড়ীৰ চলাচলৰ ব্যৱস্থা কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তদুপৰি ধৰ্মীয় গুৰু, বিশিষ্ট ব্যক্তি, ৰাজনৈতিক দলৰ নেতা, অৰ্থনীতিবিদৰ সৈতেও মত-বিনিময় কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে এই জটিল সময়ত গুৰুত্বপূৰ্ণ অভিজ্ঞতা আহৰণ কৰিছো। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সমস্যা, বাতৰি কাকত আৰু আলোচনীয়ে সন্মুখীন হোৱা পৰিস্থিতি উপলব্ধি কৰিবলৈ সক্ষম হৈছো। পূৰ্বতে এনেধৰণৰ অভিজ্ঞতাৰ মুখামুখি হোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুন ৰূপত অহা এই প্ৰত্যাহ্বান আমি মোকাবিলা কৰিবই লাগিব। কৰ'ণা ভাইৰাছে বিশ্বৰ উন্নত দেশসমূহৰ স্বাস্থ্য, অৰ্থনীতিকে ধৰি সমাজৰ সকলো ক্ষেত্ৰতে প্ৰত্যাহ্বান নমাই আনিছে। সেইবাবে আমি এই প্ৰত্যাহ্বান সহজভাৱে লোৱা উচিত নহয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সজাগ-সচেতনতা বৃদ্ধিৰ লগতে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সকলোৱে মিলিত প্ৰচেষ্টাৰে এই যুঁজত অৱতীৰ্ণ হ'ব লাগিব।

বৈঠকত সম্পাদক তথা জ্যেষ্ঠ সাংবাদিকসকলে আগবঢ়োৱা পৰামৰ্শসমূহৰ বাবে তেওঁলোকৰ মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জনায়। সাম্প্ৰতিক সময়ত সংবাদ মাধ্যমৰ অস্তিত্বৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ কথা উল্লেখ কৰি অধিক সংখ্যক সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰক সহযোগিতাৰে আগুৱাই আহিবলৈ আহ্বান জনায়। তদুপৰি আগন্তুক বানপানীৰ সময়ত বিদ্যালয়ত সাহায্য শিবিৰ স্থাপন কৰাৰ পৰা বিৰত থকা, সীমান্তৱৰ্তী জিলাসমূহৰ গ্ৰাম্য পথৰে বাহিৰৰ লোকৰ যাতায়াত বন্ধ কৰা, কৰ্তব্যৰত আৰক্ষীৰ কভিড-১৯ সংক্ৰান্তীয় স্বাস্থ্য পৰীক্ষা কৰা, বস্তি অঞ্চলৰ খাদ্য সামগ্ৰী যোগান পৰ্যবেক্ষণ কৰা তথা সংবাদ মাধ্যমক পৰিশোধ কৰিবলগীয়া বিজ্ঞাপনৰ বিল শীঘ্ৰে পৰিশোধ কৰা আদি পৰামৰ্শসমূহ সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিক সকলে আগবঢ়ায়।

সভাত ভাষণ প্ৰদান কৰি স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কৰ'ণা ভাইৰাছ সংক্ৰমণৰ ক্ষেত্ৰত বিশ্ব তথা দেশৰ তুলনাত অসম বৰ্তমানে যথেষ্ট সুৰক্ষিত হৈ আছে। ড° শৰ্মাই কয় যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা মৰ্মে ৰাজ্যৰ ধুবুৰী, গোৱালপাৰা আৰু মৰিগাঁও জিলা অৰেঞ্জ জ'নৰ অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে বাকী জিলাসমূহ গ্ৰীন জ'ন হিচাপে চিহ্নিত হৈছে। স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে কয় যে অহা ৪ মে'ৰ পৰা কেন্দ্ৰীয় চৰকাৰে লক্‌ডাউনৰ ক্ষেত্ৰত যিবোৰ ক্ষেত্ৰত শিথিলতা আনিছে সেই সংক্ৰান্তত ৰাজ্য চৰকাৰে অসমৰ পৰিপ্ৰেক্ষিতত চিন্তা-চৰ্চা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ বাহিৰত থকা ব্যক্তিসকলক পৰ্যায়ক্ৰমে অসমলৈ অনা হ'ব আৰু এই ক্ষেত্ৰত শিক্ষাৰ্থী, তীৰ্থযাত্ৰী আৰু জ্যেষ্ঠ নাগৰিকসকলক প্ৰাধান্য দিয়া হ'ব। স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনাৰ আধাৰত পৰৱৰ্তী ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব। সেইদৰে বহিঃৰাজ্যত কৰ্মৰত ৰাজ্যৰ শ্ৰমিকসকলক বৰ্তমানে নিয়োজিত হৈ থকা ৰাজ্যতে থাকিবলৈ উৎসাহিত কৰাৰ বাবে ৰাজ্য চৰকাৰে অহা তিনি মাহলৈ আৰ্থিক সাহায্য আগবঢ়াব বুলি মন্ত্ৰী শৰ্মাই কয়।

মন্ত্ৰীগৰাকীয়ে এই লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যৰ বাহিৰত থকা লোকসকললৈ আগবঢ়োৱা আৰ্থিক সাহায্য, বৃদ্ধ পেঞ্চন, বিধবা পেঞ্চনৰ লগতে সমাজৰ দৰিদ্ৰ শ্ৰেণীলৈ আগবঢ়োৱা সা-সুবিধাৰ বিষয়েও অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে লক্‌ডাউনৰ ফলত ৰাজ্যৰ ৰাজহ সংগ্ৰহ যথেষ্ট পৰিমাণে কমি গৈছে যদিও কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সহায়-সহযোগিতা আগবঢ়াই আছে। বৰ্তমানে ৰাজকোষত ৪,৯০০ কোটি টকা জমা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অৰ্থনৈতিক সংকট থকা সত্ত্বেও ৰাজ্য চৰকাৰে নিযুক্তি প্ৰক্ৰিয়াটো চলাই যাব। দেশৰ কেইবাখনো ৰাজ্যই কৰ্মচাৰীৰ দৰমহা কৰ্তন কৰিছে যদিও অসম চৰকাৰে এপ্ৰিল মাহৰ দৰমহা প্ৰদানৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে মে'ৰ মাহৰ সম্পূৰ্ণ দৰমহা দিয়াৰ বাবেও ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ লৈছে।

আজিৰ এই বৈঠকত প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱা, সাদিনৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰী, নৰ্থ ইষ্ট লাইভৰ মুখ্য সম্পাদক ৱাছবীৰ হুছেইন, বিশিষ্ট সাংবাদিক সমুদ্ৰ গুপ্ত কাশ্যপ, আমাৰ অসমৰ সম্পাদক প্ৰশান্ত ৰাজগুৰু, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদক পি জে বৰুৱা, পি টি আইৰ ব্যুৰ' চীফ এনাক্ষী শইকীয়া বৰুৱা, প্ৰাগ্ নিউজৰ পৰিচালন সম্পাদক প্ৰণয় বৰদলৈ, অসম বাণীৰ সম্পাদক দিলীপ চন্দন, নিউজ লাইভৰ মুখ্য পৰিচালন সম্পাদক ছৈয়দ জাৱীৰ হুছেইন, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া, দৈনিক পূৰ্বোদয়ৰ সম্পাদক ৰবি শংকৰ ৰবি, এছিয়ান এজ'ৰ বিশেষ সংবাদদাতা মনোজ আনন্দ, নিয়মীয়া বাৰ্তাৰ সম্পাদক নৰেশ কলিতা, টাইমছ্ অৱ ইণ্ডিয়াৰ উত্তৰ-পূৰ্বাঞ্চলৰ চীফ অৱ ব্যুৰ' প্ৰবীণ কলিতাই ৰাজ্য চৰকাৰে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু এই জটিল সময়ছোৱাত কিদৰে আগবাঢ়ি যাব লাগিব তাৰ পৰামৰ্শ আগবঢ়ায়।

আজিৰ এই বৈঠকত পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ**
**২/৫/২০২০**